# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 13-08-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত ৰোগী ভৰ্তি হোৱাৰ সময়ত ১০ হাজাৰ টকা আগধন হিচাপে জমা দিয়াৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কোকৰাঝাৰৰ ছবদ্ৰাপাৰা বজাৰত বিজেপিৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰাৰ অন্তত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত ড° শৰ্মাই এই পৰামৰ্শ আগবঢ়ায়।

প্ৰতিষ্ঠানখনৰ মাচুল বৃদ্ধিৰ সিদ্ধান্তক লৈ কিছু ভুল বুজাবুজি হোৱা বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে বৰ্ধিত মাচুল জনসাধাৰণে দিব নালাগে, আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম কাৰ্ডত চৰকাৰে এই ধন জমা দিব। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এই বিষয়ে স্পষ্ট কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে।

সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে ট্ৰাইবেল বেল্টৰ সৈতে আপোচ কৰা নহ'ব বুলি প্ৰকাশ কৰি কয়, যে ৰাজ্যত কোনো ট্ৰাইবেল বেলট ভাঙি দিয়া নহয়, বৰং ৬০০ খন নতুন ট্ৰাইবেল বেল্ট আৰু ব্লক গঠনৰহে প্ৰস্তাৱ দিয়া হৈছে। বিষয়টো লৈ অযথা বিতৰ্ক কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ ৰাজ্য চৰকাৰে জনজাতি সম্প্ৰদায়ৰ উন্নয়নৰ বাবে অহৰ্নিশে কাম কৰি আছে বুলি মন্তব্য কৰে।

০০০০

সমগ্ৰ দেশত পৰহিলৈ ৭৯ সংখ্যক স্বাধীনতা দিৱস উৎসাহ উদ্দীপনা আৰু দেশপ্ৰেমৰ ভাৱনাৰে উদ্‌যাপন কৰা হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ স্বাধীনতা দিৱসৰ প্ৰাকসন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ৰাষ্ট্ৰপতিৰ ভাষণ আকাশবাণী আৰু দূৰদৰ্শনৰ সকলোবোৰ নেটৱৰ্কৰ জৰিয়তে হিন্দী আৰু ইংৰাজীত প্ৰচাৰ কৰা হ'ব। ইয়াৰ ঠিক পাছতে দূৰদৰ্শনৰ আঞ্চলিক চেনেলসমূহত ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ সম্প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে নিশা চাৰে ন বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ৰাষ্ট্ৰপতিৰ ভাষণৰ পৰিপ্ৰেক্ষিতত সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত অসমীয়া বাতৰি ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

স্বাধীনতা দিৱস উপলক্ষে পৰহিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ দিশত দেশে এটা বৃহৎ পদক্ষেপ আগবঢ়োৱাৰ পৰিপ্ৰেক্ষিতত এই বছৰৰ স্বাধীনতা দিৱস উদযাপনৰ বিষয়বস্তু হৈছে নৱভাৰত। স্বাধীনতা দিৱসত অপাৰেছন সিন্দূৰৰ সফলতাকো উদযাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ এই উদ্‌যাপনত অংশ ল'বলৈ বিশেষ অলিম্পিক ২০২৫ ৰ ক্ৰীড়াবিদসকল, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ

বিজয়ীসকল আৰু খেলো ইণ্ডিয়া পেৰা গেমছৰ বিজয়ীসকলকে ধৰি প্ৰায় ৫ হাজাৰ বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০

স্বাধীনতা দিৱসৰ প্ৰাককক্ষণত ৰাজ্যৰ বিভিন্ন প্ৰান্তত জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিছে। দক্ষিণ শালমাৰা আৰক্ষীয়ে আজি সন্ধিয়া এটা গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই কলাবাৰী পুৰণি কাঠৰ দলঙৰ সমীপৰ পৰা পলিথিনত বান্ধি থোৱা অৱস্থাত ২৫ জাই গুলি উদ্ধাৰ কৰে। আৰক্ষীয়ে গুলিখিনি লুকুৱাই থৈ যোৱা লোকৰ সন্ধানত অভিযান চলাই আছে।

০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে আজি বিটিচিৰ ৫ খন জিলাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। চিৰাং, কোকৰাঝাৰ, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ ফটো সম্বলিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। ইপিনে চিৰাং জিলাৰ অন্তৰ্গত ৭টা পৰিষদীয় সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু সংবাদ মাধ্যমৰ উপস্থিতিত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া যতীন বৰাই আনুষ্ঠানিকভাৱে ফটো সম্বলিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। এইবাৰ চিৰাং জিলাৰ ৭টা পৰিষদীয় সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৩ লাখ ৯৮ হাজাৰ ৬৪৩ গৰাকী।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজিৰে পৰা এইচ আই ভি বিস্তৃত আই ই চি অভিযান অনুষ্ঠিত হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত হাটশিঙিমাৰীত আজি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শুভাৰম্ভ কাৰ্যসূচীৰ অন্তত জিলা আয়ুক্তগৰাকীয়ে এখন আই ই চি বাহন মুকলি কৰে। বাহনখনৰ জৰিয়তে জিলাখনৰ ১২০ খন গাঁৱত এইডছৰ বিৰুদ্ধে সজাগতা অভিযান চলোৱা হ'ব।

ডিব্ৰুগড়, চৰাইদেউ, পশ্চিম কাৰ্বি আংলং আৰু বিশ্বনাথ জিলাতো এই কাৰ্যসূচী আৰম্ভ হৈছে।

০০০০

ৰাজ্যিক কৰ বিভাগৰ এটা দলে আজি বৰপেটাৰ মন্দিয়াৰ এজন ব্যৱসায়ীৰ বিৰুদ্ধে সামগ্ৰী আৰু সেৱা কৰ ফাঁকি দিয়াৰ অভিযোগত অভিযান চলায়। আব্দুল বাৰেক নামৰ ব্যৱসায়ীজনৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু গুদামত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ কৰ ফাঁকি দিয়াৰ তথ্য গুৱাহাটী আৰু বৰপেটাৰ অভিযানকাৰী দলে নিশ্চিত কৰে। এইপৰ্যন্ত লাভ কৰা তথ্য অনুসৰি ব্যৱসায়ীজনে কমেও এক কোটি টকা কৰ ফাঁকি দিছে। এই পৰিমাণ অধিক হোৱাৰ সম্ভাৱনা আছে বুলি বৰপেটাৰ কৰ বিভাগৰ সহকাৰী কৰ আয়ুক্ত সুদীপ্ত সভাপণ্ডিতে জানিবলৈ দিয়ে।

০০০০

ওদালগুৰি জিলাত আজি মহিলা আৰু শিশু কল্যান বিভাগে ৬৮ গৰাকী অঙ্গনবাড়ী কৰ্মী আৰু ২০৮ গৰাকী সহায়িকাক নিযুক্তি পত্ৰ প্ৰদান কৰে। বিটিচিৰ ৫ খন জিলা সামৰি এহেজাৰ ৮১ গৰাকী অঙ্গনবাড়ী কৰ্মী সহায়িকাক স্বচ্ছ আৰু নিকাভাৱে নিযুক্তি দিয়া হৈছে বুলি কাৰ্যবাহী সদস্য গৌতম দাসে প্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ